# মহিলা উদ্যমিতা

*বিজয়া ডেকা*
*উপাধ্যক্ষা*
*জৱহৰলাল নেহৰু মহাবিদ্যালয়, বকো*

বৰ্তমান সময়ৰ এই কথা সকলোৱে উপলব্ধি কৰিছে যে পুৰুষ আৰু মহিলা উভয়ৰে সমান অংশ গ্ৰহন আৰু অৱদানৰ ওপৰতহে এখন ঘৰ, সমাজ তথা দেশৰ উন্নতি নিৰ্ভৰ কৰে। সেয়েহে সমাজত থকা বৈষম্য ভাৱে, মনোভাৱ তথা আৰ্থসামাজিক দিশত মহিলাসকল প্ৰত্যাহবানৰ সন্মুখীন হ'ব লগা যিবোৰ কাৰক সেইবোৰ দূৰ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। যিহেতু আৰ্থসামাজিক বিকাশেহে সহিলাসকলক প্ৰকৃতাৰ্থত সৱল, শক্তিশালী আৰু আগবাঢ়িযোৱাত সহায় কৰে গতিকে মহিলাসকলৰ মানসিকতা সলনি কৰাটো এটা গুৰুত্বপূৰ্ণ দিশ।

মহিলাসকলক সৱলীকৰণ কৰিবলৈ বৰ্তমান সময়ত বিভিন্ন দেশত বিভিন্ন পদক্ষেপ লৈ মহিলাসকলৰ আত্মসন্মান, জ্ঞান কৌশল, আত্মবিশ্বাস আদি বঢ়াবলৈ চেষ্টা কৰা দেখা গৈছে, যাতে দেশৰ আৰ্থসামাজিক ভেটি সুদৃঢ় হয়। মহিলাসকল শিক্ষিত হৈ অহাৰ লগে লগে সমাজৰ বিভিন্ন ক্ষেত্ৰত কাম কৰিবলৈ আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। কিছু সংখ্যক মহিলা উদ্যমিতাও দেখাটো শুভ লক্ষন বুলিব পাৰি। 'উদ্যমিতা' শব্দৰ ইংৰাজী প্ৰতিশব্দ (Entrepreneurship) এটা ফৰাচী শব্দ। যাৰ অৰ্থ গ্ৰহণ কৰা বা লোৱা।

'উদ্যমিতা' হ'ল আৰ্থিক কাম কাজৰ এটা সংহতি, যত উদ্যমীজনে বিপদাশংকা বহন কৰে, প্ৰত্যাহৱানৰ মুখামুখী হবলৈ সাজু থাকে, নতুন কিবা সৃষ্টি কৰে, নবীনত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰে আৰু সম্পদ সংগঠিত আৰু সমন্বায়িত কৰে। ই এক ব্যাপক সফলতা বিপদাশংকা বহন আৰু অনিশ্চয়তাৰ মুখামুখী হোৱাৰ এক ইচ্ছা বা প্ৰৱনতা।

অৰ্থনীতিবিদ B. Higgins ৰ মতে উদ্যসিতা হ'ল বিনিযোগ উৎপাদনৰ সংযোগৰ সন্ধান কোনো নতুন উৎপাদনশৈলীৰ উদ্বাৱন আৰু গ্ৰহনেৰে এটা প্ৰতিষ্ঠান সংগঠিত কৰণ, মূলধন সংগ্ৰহশ্ৰমিক নিযুক্তি কেঁচা সামগ্ৰী বন্দোবস্তকৰণ, প্ৰতিষ্ঠানৰ স্থান নিৰ্দ্ধাৰণ, নতুন কৌশল আৰু দ্ৰব্যৰ চিনাক্তকৰণ কেঁচা সামগ্ৰীৰ নতুন উৎসায়ণ আৰু প্ৰতিষ্ঠানখনৰ দৈনন্দিন কাম কাজৰ অৰ্থে উত্তম পৰিচালনাক নিৰ্বাচনৰ লগত জড়িত কাৰ্যকলাপক বুজায়। (Entrepreneurship is meant that functionreeking investment and production opportwnities, raising capital, hiring labour arranging the new technique and commodities, discovering new some sorce of raw materials and selecting top manager to day to day operations of that enterprise)

সেইদৰে Awether H. Cole বিখ্যাত আমেৰিকাৰ অৰ্থনীতিৰ্বিদ তথা বুৰঞ্জীবিদ যি গৰাকী ব্যক্তিৰ কামে অৰ্থনীতিলৈ এক পৰিবৰ্তনৰ সূচনা কৰিছিল। Cole মত প্ৰকাশ কৰিছিল যে উদ্যাসিতা হৈছে এগৰাকী ব্যক্তিৰ উদ্দেশ্যপূৰ্ণ কাম কাজ, যাক আৰ্থিক পণ্যদ্ৰব্য আৰু সেৱাৰ ক্ৰমে উৎপাদন আৰু বিতৰণৰ জৰিয়তে লাভ

অর্জনৰ ধাৰাৰ পৰিবৰ্তন কৰিবলৈ, লাভ অৰ্জনৰ ধাৰা অব্যাহত ৰাখিবলৈ, লাভ ক্ষমতা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰা হয়। (Entrepreneurship is the purposeful activity of an individual on a group of association individuals undertaken to initiate maintain or aggrandise profit by production or disiribution of economic goods and servies)

যোচেফ এ স্কুমপিটাৰ (Joseph A Schumpeter) এগৰাকী অষ্টিয়ান অৰ্তনীতিবিদ যিগৰাকী পিছলৈ হাৰ্বাৰ্ট বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈছিল, তেওঁ মত-প্ৰকাশ কৰে যে An Entrepreneurship is an innovator who desires to carin profit through innovation অৰ্থাৎ উদ্যামী ব্যক্তি তেওঁ যিয়ে নতুনত্বৰ কামেৰে লাভ বিছাৰিব খোযে।

মহিলা উদ্যমিতা ঃ Women Entrepreneurship :

মহিলা উদ্যমিতা হ'ল সেই সকল মহিলা যিসকলে নিজাববীয়াকৈ এটা ব্যৱসায়িক উদ্যোগৰ কথা ভাৱে, আৰম্ভ কৰে, উৎপাদনৰ কাৰকবোৰ সংগঠিত কৰি একত্ৰিত কৰে। তেওঁলোকে ব্যৱসায়িক প্ৰতিষ্ঠান পৰিচালনা কৰে, পৰিচালনাৰ ক্ষেত্ৰত থকা অৰ্থনৈতিক অনিশ্চিয়তা গ্ৰহণ কৰে আৰু বিপদ সংকুলতা গ্ৰহন কৰিবলৈ সাজু থাকে।

যোচেফ এ স্কুমপিটাৰৰ (Joseph A Schumpeter)মতে"মহিলা উদ্যমিতা হ'ল সেইসকল মহিলা যিসকলে এটা ব্যৱসায়িক কাৰ্য উদ্ভৱ কৰে, আৰম্ভ কৰে বা গ্ৰহণ কৰে। (Women Entreprenurship are those womwn who innovte, initiate or adopt a business activity) (Govt. of India) ভাৰত চৰকাৰেও বৰ্তমান সময়ত মহিলা উদ্যামীতাক গুৰুত্ব দিছে। বাৰত চৰকাৰৰ মতে "এগৰাকী মহিলা উদ্যমীক এচা ব্যৱসায়িক প্ৰতিষ্ঠান স্বৰূপ সংজ্ঞায়িত কৰিব পাৰি, যি গৰাকী মহিলাৰ মালিকীস্বত্ব আৰু নিয়ন্ত্ৰনত থাকে, মূলধন নিন্মতম ৫১ শতাংশ আৰ্থিক স্বত্ব থাকে তথা ব্যৱসায়িক প্ৰতিষ্ঠানে উৎপন্ন কৰা অতি কমেও ৫১ শতাংশ আয় মহিলাৰ পক্ষত থাকে। ( A Women Entrépreneur is defined as an Enterprise owned and controlled by a women having a minimum financial of 51% of the capital and giving at least 51% of the employment generated in the enterprise to women).সেইদৰে Frederick Harbison মতামত দিয়ে যে" কোনো মহিলা বা মহিলাৰ দলে উদ্ভাৱন কৰা, আৰম্ভ কৰা বা গ্ৰহণ কৰা কোনো অৰ্থনৈতিক কাৰ্যক মহিলা উদ্যমিতা বুলিব পাৰি। (Any women or group of women which innovatis, innitiates or adopis an economic activity may be called women entreoreneurship)

মহিলাৰ উদ্যমিতাৰ কাৰকঃ বৰ্তমান মহিলা উদ্যমিতা সময়ৰ আহবান বুলিব পাৰি। মহিলা সকলৰ মাজত শিক্ষিতৰ হাৰ বৃদ্ধিৰ লগে লগে মহিলাসকলে বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়াবলৈ ইচ্ছা প্ৰকাশ কৰা দেখা গৈছে। শিক্ষিত মহিলা সকলে নিজকে বুজিবলৈ সক্ষম হয়। লগে লগে তেওঁলোকৰ মনত স্বাৱলম্বিতাৰ মনোভাৱ, নিজৰ পৰিচয়, আত্মমনোবল বৃদ্ধি, সমান মৰ্যদা আৰু লগতে স্বাধীনভাৱে কাম কৰাৰ মানসিকতা গঢ় লৈ উঠে। আহঁৰি সময়ৰ সদব্যৱহাৰ কৰি লাহে লহে নিজৰ দক্ষতা উপলব্ধি কৰাৰ লগতে সাহসী হৈ উঠে। যাৰ বাবে কঠোৰ

পৰিশ্ৰম কৰিবলৈ বা যিকোনো প্ৰত্যাহবানৰ সন্মুখীন হ'বলৈ সনত সাহস জাপি উঠে । আন আন ব্যৱসায়িক প্ৰতিষ্ঠান, প্ৰদৰ্শনী দৰ্শন বা টিভি আদিত দেখা উদ্যোগী মহিলাসকলৰ কাৰ্যয়ো তেওঁলোকৰ মনত অদম্য হেঁপাহ জাগৃত কৰি তোলে। পৰিয়ালৰ পৰা পোৱা ইতিবাচক সহাৰিও এটা ইয়াৰ কাৰক তুলিব পাৰি। তদুপৰি আজি কালি চৰকাৰৰ পক্ষৰ পৰাও মহিলা উদ্যমিতাৰ বাবে নানা সুবিধা আগবঢ়াইছে। যিবোৰে মহিলাসকলক আগবাঢ়ি যোৱাত সাহস যোগায় আৰু 'উদ্যমি মহিলা' হোৱাৰ পথ প্ৰশস্ত কৰে। যৌথ পৰিয়ালৰ ব্যৱস্থা হ্ৰাস পোৱা আৰু নিজৰ সন্তানৰ সংখ্যা কম হোৱাত ফলস্বৰূপে মহিলাসকলৰ জীৱনধাৰনা মানদণ্ড উন্নত ৰক্ষাৰ বাবে মহিলাসকলে অৰ্থনৈতিক দিশত নিজাববীয়া চিন্তা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। স্বাধীনভাৱে কাম কৰাৰ মানসিকতা, পৰিয়ালক আৰ্থিক দিশত সাহস কৰি সমাজত নিজৰ স্থিৰ সৱল কৰিবলৈ মহিলাসকলৰ মনত প্ৰৱল হেঁপাহ জাগৃত হোৱা পৰিলক্ষিত হৈছে। বহু পৰিয়ালত ইতেমৈধ্যে থকা সৰু সুৰা ব্যৱসায়ত সহায় কৰাৰ সুযোগ লাভ আৰু মহিলাৰ মনত থকা উদ্ভৱনী চিন্তাক পৰিয়ালৰ সমৰ্থনেও এগৰাকী মহিলাক স্বাধীনভাৱে ব্যৱসায় কৰিবলৈ অনুপ্ৰেৰণা যোগাইছে। প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আৰু প্ৰচাৰ, গোলকীকৰণৰ ফলশ্ৰুতি, অন লাইন বস্তু কিনিবলৈ পোৱা সুবিধা আদিৰ ফলতো মহিলাসকলে বাহিৰৰ উদ্যমি মহিলা সকলৰ কাম কৰাৰ বিষয়ে কিছু হ'লেও অৱগত হোৱাৰ সুযোগ পাইছে। যিয়ে তেওঁলোকৰ মাজত নিহিত থকা শক্তি বুজাত সহায় হৈছে। স্বাৱলম্বী মহিলাৰ সামাজিক স্থিতি বুজিবলৈ সুযোগ পাইছে। মহিলাসকলে খাদ্য, ফলমূল, শস্য, আচাৰ, বিন্দী, পাপৰ, মমবাতি, ধূপকাঠী, হস্তশিল্প, বস্ত্ৰ উৎপাদন, পুতলা বনোৱা, জুৱেলাৰী, উদ্যান, নাৰ্চাৰী, পাচলি আদিৰ দোকান, কিতাপৰ দোকান আদি নানান দিশত কাম কৰা দেখা যয়। শিক্ষা, সাহিত্য, সংস্কৃতি, অভিনয় আদিৰ ক্ষেত্ৰতো আগবাঢ়ি যোৱাৰ দৰে উদ্যমিতাৰ ক্ষেত্ৰখনতো সৰহ সংখ্যাক মহিলাই খোজ পেলালে পৰিয়ালৰ লগতে দেশৰ অৰ্থনৈতিক দিশটো আৰু এখোজ আগবাঢ়ি যোৱাত সহায়ৰ হাত আগবঢ়োৱা হ'ব

তাৰ বাবে মহিলাসকল বিপদৰ আশংকা (Risk bearing) সংগঠন উদ্ভাৱন ক্ষমতা আৰু স্বাধীনভাৱে কাম কৰাৰ মানসিকতাই হ'ব উদ্যমিতা মহিলাৰ মূল চাবিকাঠি। উক্ত প্ৰশিক্ষণ আৰু আমাৰ অনুপ্ৰেৰনাত হ'ব প্ৰবল ইচ্ছাশক্তিৰ গতিবৰ্দ্ধক।

আহক আমি মহিল সকলক ' উদ্যমি' হবলৈ অনুপ্ৰেৰণাও জগাওঁ, যাতে তেওঁলোকে নিজে স্বাৱলম্বী হোৱাৰ লগতে আনকো কৰ্মসংস্থাপন দিব পাৰে আৰু দেশৰ অৰ্থনৈতিক সৱল কৰাত অংশ ল'ব পাৰে।

<u>সহায়ক গ্ৰন্থ</u>

মহিলা আৰু সমাজ : ড০ উৎপল কলিতা আৰু লগৰীয়াসকল শান্তি প্ৰকাশণ (২০২২)
সাম্পতিক উদ্ভৱসমূহ আৰু শিক্ষাঃ ড০ বীৰেন্দ্ৰ ডেকা, শ্ৰীসংগিতা বৰ্মন, আশোক বুক ষ্টল (২০১৮)

—oo—